**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

———অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত সশস্ত্ৰ বাহিনীৰ বীৰত্বক উদযাপনৰ উদ্দেশ্যে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰা হৈছে। অসমৰ ভিন ভিনঠাইত কালি ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন শ্ৰেণীৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে শোভাযাত্ৰা উলিয়ায়। অসম প্ৰদেশ বিজেপিয়ে আজি বিয়লি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা আৰম্ভ কৰিব। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড$^{0}$ হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰিব। ৰাজ্যখনত কাইলৈ আৰু পৰহিলৈ জিলা পৰ্যায়ত আৰু ১৮ মে'ত বুথ পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চিবিএছইৰ অধীনৰ দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰাৰ পাছত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰ পৰা দৰ্পন অনলাইন নামভৰ্তি পোৰ্টেল মুকলি কৰিছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে আজিৰে পৰা ২০ মে' পৰ্যন্ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব। সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহে ২৩ মে'ৰ ভিতৰত নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি সম্পৰ্কীয় তথ্যৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বিভাগীয় ৱেৱছাইট www.ahsec.assam.gov.in বা darpan.ahsec online.in ত চাব পাৰিব। পৰিষদে লগতে কোনো পৰিস্থিতিতে নামভৰ্তিৰ বাবে অফলাইন আবেদন গ্ৰাহ্য কৰা নহব বুলি স্পষ্ট কৰি দিছে।

০০০০০০০

ডিব্ৰুগড়ত আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি পদ্মনাথ গোহাঁই বৰুৱা বঁটা বিশিষ্ট টাই গৱেষক, লেখক, সাহিত্যিক ড$^{0}$ পুষ্প গগৈক প্ৰদান কৰা হয়। ডিব্ৰুগড় জিলা আহোম সভাৰ উদ্যোগত, সদৰ আঞ্চলিক আহোম সভা আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বঁটা গ্ৰহণ কৰি ড$^{0}$ গগৈয়ে অসম সাহিত্য সভাৰ প্ৰথগৰাকী সভাপতি পদ্মনাথ গোহাঁঞি বৰুৱাৰ জীৱন আৰু কৃতি সম্পৰ্কে আলোকপাত কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক উত্তম দুৱৰাই ভাষণ দিয়ে। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থখন ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড$^{0}$ জয়দেৱ গগৈয়ে উন্মোচন কৰে। এই অনুষ্ঠানত মৰাণ সভা, মটক সন্মিলনী, চুতীয়া জাতি সন্মিলনীকে ধৰি বিভিন্ন সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০

মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰৰ প্ৰচাৰ শাখাৰ উদ্যোগত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱ দেৱৰ ৫৩৭ সংখ্যক জন্মোৎসৱৰ সৈতে সংগতি ৰাখি অসম ভিত্তিত ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ 'ক' শাখাত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিষয় হৈছে – 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ গুৰুভক্তি'। 'খ' শাখাত নৱমৰ পৰা দশম শ্ৰেণীলৈ বিষয় হৈছে – 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ ৰচনাত বাৎসল্য প্ৰেম'। 'গ' শাখাত একাদশৰ পৰা স্নাতক শ্ৰেণীলৈ বিষয়বস্তু হৈছে – 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ নামঘোষা আৰু দৰ্শন'। ৰচনাসমূহ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দ্বাৰা প্ৰত্যায়িত কৰি সম্পাদক প্ৰচাৰ শাখা, মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰ, শুৱালকুছি-৭৮১১০৩ এই ঠিকনাত ৩১ মে'ৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব।

০০০০০০০০০

যোৱানিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ডিব্ৰুগড় চহৰৰ বিভিন্ন স্থানত কৃত্ৰিম বানৰ সৃষ্টি হোৱাত জনসাধাৰণৰ জীৱনযাত্ৰা ব্যাহত হৈছে। চহৰখনৰ আমোলাপট্টি, লক্ষ্মীনগৰ, মানকটাপথ, শান্তিপাৰাকে ধৰি প্ৰায়বোৰ অঞ্চলতে কৃত্ৰিম বানে বাট-পথ বুৰাই পেলাইছে। দুই-এখন বিদ্যালয়ত পানীৰ মাজতে আজি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰা হৈছে বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০০০০

চৰকাৰে ২৩ ছেপ্তেম্বৰক আয়ুৰ্বেদ দিৱস হিচাপে ঘোষণা কৰিছে। আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পূৰ্বে ধনতেৰচৰ দিনা পালন কৰি অহা আয়ুৰ্বেদ দিৱস এতিয়াৰে পৰা ২৩ ছেপ্তেম্বৰত পালন কৰা হ'ব। মন্ত্ৰালয়ে উল্লেখ কৰে যে, আয়ুৰ্বেদক বিজ্ঞানসন্মত, প্ৰমাণ আধাৰিত আৰু সামগ্ৰিক চিকিৎসা পদ্ধতি হিচাপে প্ৰচাৰ কৰাৰ বাবে প্ৰতি বছৰে এই দিৱস পালন কৰা হয়। মন্ত্ৰালয়ে সকলো নাগৰিক, স্বাস্থ্য খণ্ডৰ সৈতে জড়িত ব্যক্তি, সংস্থা তথা আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক নতুনকৈ নিৰ্ধাৰিত দিনটোক গ্ৰহণ কৰি প্ৰতি বছৰে ২৩ ছেপ্তেম্বৰত আয়ুৰ্বেদ দিৱস সক্ৰিয়ভাৱে পালন কৰিবলৈ আহ্বান জনায়।

০০০০০

১৯ বছৰ অনুৰ্ধৰ ছাফ ফুটবল চেম্পিয়নশ্বিপত ভাৰতে গ্ৰুপ বিৰ শীৰ্ষস্থান দখল কৰিছে। প্ৰতিযোগিতাত ভাৰতে কালি অৰুণাচল প্ৰদেশৰ যুপিয়াত অনুষ্ঠিত এখন খেলত নেপালক ৪-০ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ ৰোহেন সিং ছাপামায়ুমে দুটা আৰু ওমাং ড'ডুম তথা ডেনী মেইটেয়ে এটাকৈ গ'ল কৰে । এই জয়ৰ সুবাদত ভাৰতে নিজৰ দুখন খেলৰ পৰা ৬ পইণ্ট আৰু ১২ গ'লৰ ব্যৱধানৰ জৰিয়তে গ্ৰুপ পৰ্যায়ৰ খেল সামৰিছে। ছেমি ফাইনেলত অহা শুকুৰবাৰে দলটোৱে গ্ৰুপ এৰ ৰাণাৰ্চ আপ মালদ্বীপৰ বিৰুদ্ধে আৰু নেপালে গ্ৰুপ এৰ শীৰ্ষস্থানপ্ৰাপ্ত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000

সমাপ্ত